# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-12-2024
**Time :** 17-15 Hrs

## *Assamese Evening Bulletin*

:::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ চাৰে তিনি বছৰীয়া মন্ত্ৰী সভাৰ দপ্তৰসমূহৰ আজি ব্যাপক সাল-সলনি ঘটাইছে। মন্ত্ৰী সভাত নতুনকৈ অন্তৰ্ভুক্ত হোৱা প্ৰশান্ত ফুকনক শক্তি, দক্ষতা-বিকাশ, নিয়োগ আৰু উদ্যমিতা, প্ৰধানমন্ত্ৰীৰ আয়ুষ্মান ভাৰত যোজনাৰ অধীনৰ চিকিৎসা সেৱা আৰু গৱেষণা বিভাগৰ দায়িত্ব দিয়া হৈছে। কৌশিক ৰয়ক খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ, খনি আৰু খনিজ সম্পদ বিভাগ আৰু নৱগঠিত বৰাক উপত্যকা উন্নয়ন বিভাগৰ দায়িত্ব অৰ্পণ কৰা হৈছে। কৃষ্ণেন্দু পালক পশু পালন আৰু পশু চিকিৎসা, মীন আৰু প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনৰ লোকনিৰ্মাণ বিভাগৰ দায়িত্ব দিয়া হৈছে। ৰূপেশ গোৱালাক শ্ৰমিক কল্যাণ বিভাগ, চাহ জনজাতি আৰু আদিবাসী উন্নয়ন বিভাগ আৰু গৃহ বিভাগৰ অধীনৰ কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা বিভাগৰ দায়িত্ব দিয়া হৈছে। মুখ্যমন্ত্ৰীয়ে পূৰ্বৰ কেইবাগৰাকী মন্ত্ৰীৰ দায়িত্বৰো সালসলনি ঘটাইছে। গৃহ আৰু কৰ্মচাৰী বিভাগৰ দায়িত্ব পূৰ্বৰ দৰেই মুখ্যমন্ত্ৰীয়ে নিজৰ হাতত ৰাখিছে। একেদৰে লোকনিৰ্মাণৰ গৃহ, ৰাষ্ট্ৰীয় ঘাইপথ বিভাগ আৰু লোকনিৰ্মাণৰ পথ শাখাৰ দায়িত্ব মুখ্যমন্ত্ৰীয়ে নিজে চোৱাচিতা কৰিব। চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ দায়িত্ব মুখ্যমন্ত্ৰীয়ে নিজে বহন কৰাৰ লগতে আন মন্ত্ৰীক আৱণ্টন নকৰাৰ বিভাগৰ দায়িত্বও মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ হাতত থাকিব। ৰণজিৎ কুমাৰ দাসক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ দায়িত্বৰ লগতে আইন, পৰ্যটন আৰু সাধাৰণ প্ৰশাসনৰ দায়িত্ব দিয়া হৈছে। অতুল বৰাক কৃষি, কেশৱ মহন্তক ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ দায়িত্ব দিয়া হৈছে।

০০০০০

সৰুপথাৰ সম-জিলাত আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ১৯ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্প উন্নীতকৰণ আৰু কেইটামান প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই অনুসৰি মুখ্যমন্ত্ৰীয়ে প্ৰায় ১৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মিত এশখন বিছনাযুক্ত সৰুপথাৰ সম-জিলা অসামৰিক চিকিৎসালয়খন উদ্বোধন কৰে। এই চিকিৎসালয়খনত ৯টা বহিঃ বিভাগীয় কক্ষ, দুটা প্ৰসৱ কক্ষ, অস্ত্ৰোপচাৰ কক্ষ, নৱজাতকৰ বিশেষ যতন কক্ষ, জৰুৰীকালীন সেৱা কক্ষৰ লগতে অন্যান্য সুবিধাসমূহ থাকিব। ড০ শৰ্মাই সৰুপথাৰ ইনড'ৰ ষ্টেডিয়াম আৰু এটা সভাগৃহও উদ্বোধন কৰে। ৪ হাজাৰ আসনযুক্ত এই গ্ৰাম্য ষ্টেডিয়াম এম জি এনৰেগাৰ বিত্তীয় সাহায্যৰে নিৰ্মাণ কৰা হৈছে। তদুপৰি প্ৰায় ২ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া সৰুপথাৰ ছুইমিং পুলৰ আধাৰশিলাও মুখ্যমন্ত্ৰীয়ে স্থাপন কৰে।

০০০০০

বড়ো জনগোষ্ঠীৰ প্ৰথমগৰাকী পি এইচ ডি ডিগ্ৰীধাৰী প্ৰয়াত ড০ বাশীৰাম বড়োৰ সোঁৱৰণত বিটিআৰ প্ৰশাসনে আৰম্ভ কৰা ডক্টৰেল ফেল'শ্বিপ আঁচনিৰ অধীনত আজিৰে পৰা প্ৰাৰ্থীসকলৰ পৰিক্ষণ অনুষ্ঠিত হৈছে। এই

ফেল'শ্বিপৰ বাবে আবেদন লাভ কৰা ১১১ গৰাকী প্ৰাৰ্থীৰ ভিতৰত ৮৯ গৰাকী যোগ্য বিবেচিত হৈছিল। যোগ্য প্ৰাৰ্থীসকলৰ ভিতৰত ৪৫ গৰাকী প্ৰাৰ্থীৰ পৰিক্ষণ আজি হোৱাৰ লগতে কাইলৈ বাকীসকলৰ পৰিক্ষণ অনুষ্ঠিত হ'ব। বিটিচিৰ শিক্ষা সঞ্চালক জগদীশ প্ৰসাদ ব্ৰহ্মই প্ৰকাশ কৰা মতে ৫০ গৰাকী যোগ্য প্ৰাৰ্থীলৈ এই আঁচনিৰ অধীনত উচ্চ শিক্ষা গ্ৰহণৰ সুযোগ দিয়া হ'ব। প্ৰতিগৰাকী প্ৰাৰ্থীলৈ বছৰেকত এক লাখ ৮০ হাজাৰ টকা প্ৰদান কৰা হ'ব। প্ৰাৰ্থীসকলে তিনি বছৰৰ ভিতৰত গৱেষণা সম্পূৰ্ণ কৰিব লাগিব বুলি সঞ্চালকগৰাকীয়ে প্ৰকাশ কৰে।

০০০০

ধুবুৰী জিলাৰ গৌৰীপুৰ আৰক্ষীয়ে আজি অভিযান চলাই এটা চাইবাৰ অপৰাধীক কৰায়ত্ব কৰে। আৰক্ষীয়ে অপৰাধীটোৰ পৰা ১৫ খন এটিএম কাৰ্ড জব্দ কৰে। আটকাধীন লোকজন ধুবুৰীৰ বাইল্লাৰ চৰ এলেকাৰ আবু বক্কৰ ছিদ্দিকী বুলি আৰক্ষীয়ে চিনাক্ত কৰিছে।

০০০০

মৰিগাঁও জিলাৰ জাগীৰোডৰ ইতিহাস প্ৰসিদ্ধ জোনবিলৰ পাৰত অহা ১৬ৰ পৰা ১৮ জানুৱাৰীলৈ ঐতিহাসিক জোনবিল মেলাৰ আয়োজন কৰা হৈছে। গোভা দেওৰজাৰ ৰাজপৰিষদ, জোনবিল মেলা উন্নয়ন সমিতি আৰু তিৱা ৰাজদৰবাৰে অলপতে গোভা দেওৰজাৰ নখোলা ৰাজভৱনত অনুষ্ঠিত দৰবাৰত এই সিদ্ধান্ত গ্ৰহণ কৰে। তিৱা সংস্কৃতিৰ প্ৰাণ কেন্দ্ৰ তথা পাহাৰ-ভৈয়ামৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলন ভূমি এই জোনবিল মেলাত কাৰ্বি আংলং জিলাৰ অৰ্ধশতাধিক গাঁৱৰ লগতে মেঘালয়ৰ ২০ খনৰো অধিক গাঁৱৰ মামা-মামীসকলে  পাহাৰত উৎপাদিত সামগ্ৰী লৈ পৰম্পৰাগত বিনিময় প্ৰথাত অংশগ্ৰহণ কৰিব। জোনিবল মেলাৰ দ্বিতীয় দিনা বহিবলগীয়া গোভা দেওৰজাৰ ৰাজদৰবাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেইবাগৰাকী মন্ত্ৰী, বিধায়ক উপস্থিত থাকিব। এই ৰাজদৰবাৰতে ২২ গৰাকী তিৱা ৰজাক ৰাজ্য চৰকাৰে ৰাজভাট্টা প্ৰদান কৰিব।

০০০০

হাফলঙৰ প্ৰবীন সাংবাদিক তথা ৰাজনীতিবিদ ৰুদ্ৰজিৎ লাইশ্ৰামৰ অন্ত্যেষ্টিক্ৰিয়া আজি হাফলঙত ভালেসংখ্যক গুণমুগ্ধৰ উপস্থিতিত সম্পন্ন হয়। বৃক্কজনিত ৰোগত আক্ৰান্ত হৈ গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত কালি দুপৰীয়া লাইশ্ৰামৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮১ বছৰ। ১৯৭০ চনৰ পৰা ১৯৯০ চনলৈকে প্ৰায় ২০ বছৰ কাল তেওঁ আকাশবাণী গুৱাহাটীৰ অংশকালীন সংবাদদাতা হিচাপে সেৱা আগবঢ়াইছিল। ডিমা হাচাও জিলাৰ সমাজনীতি আৰু ৰাজনীতিৰ সৈতে সুপৰিচিত লাইশ্ৰামে পৰৱৰ্তী সময়ত ৰাজনীতিত যোগদান কৰিছিল আৰু মৃত্যুৰ সময়লৈকে তেওঁ ডিমা হাচাও জিলা কংগ্ৰেছ কমিটীৰ উপ-সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁৰ মৃত্যুত জিলাখনত শোকৰ ছাঁ পৰিছে। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগত আজি দুপৰীয়া অনুষ্ঠিত এখন শোক সভাত লাইশ্ৰামৰ আত্মাৰ সদগতিৰ অৰ্থে প্ৰাৰ্থনা কৰা হয়।

০০০০

ওমানৰ মাস্কটত চলি থকা  মহিলাৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত ভাৰত আজি পৰৱৰ্তী গ্ৰুপ পৰ্যায়ৰ খেলত  মালয়েছিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব।

০০০০

সমাপ্ত